**আৰম্ভণি (Introduction) :-** বাহনা মহাবিদ্যালয়ৰ ৰাজনীতি-বিজ্ঞান বিভাগৰ পৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিকাশৰ বাবে বিভিন্ন সময়ত শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হয়। যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশ বিকাশ হোৱাত সহায় হয় লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ৰাজনৈতিক অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰসমূহৰ বিষয়ে ভালদৰে অৱগত হ'ব পাৰে। তলত এই শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচীসমূহৰ এক প্ৰতিবেদন দাঙি ধৰা হ'ল:-

**ঠাই (place) :-**

(1) পাচীঘাট, অৰুণাচল প্ৰদেশ (2018-19 বৰ্ষ)

(2) দিচাং মুখ, শিৱসাগৰ (2019-20 বৰ্ষ)

(3) চিকাৰী ঘাট, দেৰগাঁও (2020-21 বৰ্ষ)

**ঠিকনা (Address) :-**

**(i) পাচীঘাট :-** → Pasighat, P.O : Pasighat

P.O Type : Sub Office, district : East Siang

State : Arunachal Pradesh, Pin code :- 791102

(ii) দিচাং মুখ : Disangmukh, P.O : Disangmukh, P.O Type : Sub Office, District : Sibsagar, State : Assam pin code : 785663

(iii) চিকাৰী ঘাট : Sikari Ghat, District : Dergaon (Golaghat) State : Assam pin No : 785614.

যাতায়াত ব্যৱস্থা :-

(i) পাচী ঘাট :- পাচী ঘাট টৈল ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা প্ৰথম ষাণ্মাসিক, তৃতীয় ষাণ্মাসিক, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী লগতে কিছু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীও হৈছিল। আমাৰ যাত্ৰা মহাবিদ্যালয়ৰ চৌহদৰ পৰা ৰাতিপুৱা ৬ বজাত বাচেৰে আৰম্ভ হয়। পাচী ঘাটত আমি ৰাতিপুৱা প্ৰায় 11 মান বজাত উপস্থিত হৈছিলো। তাত আমি বিভিন্ন ঠাই দৰ্শন কৰি আবেলি 8.00 মান বজাত ঘৰৰ মুখে যাত্ৰা আৰম্ভ কৰিছিলো। ৰাতি ১০.০০ মান বজাত আমি মহাবিদ্যালয়ৰ চৌহদত উপস্থিত হৈছিলো।

(ii) দিচাং মুখ :- দিচাং মুখ হৈল ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা প্ৰথম ষাণ্মাসিক, তৃতীয় ষাণ্মাসিক, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সকলো হৈগছিলে। আমাৰ যাত্ৰা মহাবিদ্যালয়ৰ চৌহদৰ পৰা পুৱা ৬ বজাত আৰম্ভ হৈছিল বাচেৰে। প্ৰায় ৭.০০ মান বজাত আমি তাত উপস্থিত হৈছিলো। তাত আমি নানান ঠাই দৰ্শন কৰি পুনৰ বাচেৰে যাত্ৰা আৰম্ভ কৰিছিলো। প্ৰায় ৪ মান বজাত আমি মহা-বিদ্যালয়ত উপস্থিত হৈছিলো।

(iii) চিৰাণৰী ঘাট :- চিৰাণৰী ঘাট হৈল ৰাজনীতি বিজ্ঞান বিভা-গৰ পৰা প্ৰথম ষাণ্মাসিক, তৃতীয় ষাণ্মাসিক, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সকলেও যাত্ৰা কৰিছিল। আমাৰ যাত্ৰা পুৱা ৬ বজাত বাচেৰে আৰম্ভ হৈছিল। তাত উপস্থিত হৈ তাত সকলো ঠাই অমৃত উপভোগ কৰি ৰাতি প্ৰায় ৭.০০ মান বজাত পুনৰ মহাবিদ্যালয়ত উপস্থিত হৈছিলোহি।

সামৰণি :- শৈক্ষিক ভ্ৰমণৰ পৰা ক'ব পাৰি পাচীঘাটত বহুতো জানিব লগীয়া বস্তু আছে। পাচীঘাটৰ লোক সকলৰ জন-জীৱন সাধাৰণ লোকৰ দৰে নহয়। তাত বিভিন্ন জনগোষ্ঠীৰ সমাহাৰ দেখিবলৈ পোৱা যায়। তেওঁলোকৰ আচাৰ বেলেগ বেলেগ, খাদ্য, সংস্কৃতি আদি বেলেগ পৃথক। তাত আমি বেচিকৈ জুহুৰি অৰ্থাৎ মেতেৰে নিৰ্মিত ঘৰ দেখিবলৈ পাইছিলো। তাত আমি

পৰ্যাপ্ত পৰিমাণে কমলা আৰু মৌচুমি চাহৰ বাগান দেখিবলৈ পাইছিলো।

তিনং চুখৰ কথা ক'বলৈ গ'লে তাৰ যাতায়ত ব্যৱস্থা বৰ বেছি সুচল নহয়। আমি যাওঁতে বহুত অসুবিধাৰ সন্মুখীন হৈছিলো। ৰাস্তাবোৰৰ অৱস্থা অতি শোচনীয় আছিল। তাত এখন দলং আছে য'ত টিকেট কাটি নদীৰ ইপাৰ সিপাৰে যাব পাৰি। য'ত বহুত মানুহে বসবাস কৰিছিল। সেই অঞ্চলত মিচিং মানুহৰ পৰিমাণ বেছি দেখিবলৈ পোৱা যায়। তাৰ জন-জীৱন পৃথক, ৰাজনৈতিক অৱস্থা পৃথক পৃথক।

চিকাৰী ঘাট মিচিং দেৰগাওঁ অঞ্চলত অৱস্থিত যোৱাতে তাৰ নদীৰ আশে-পাশে বহুত চাপৰি, মাটিত কুঁহিয়াৰ, মাটিৰ মাহৰ খেতি দেখিবলৈ পোৱা যায়। চিকাৰী ঘাটৰ নদীৰ পাৰত এখন মেলা আৰু বজাৰৰ ব্যৱস্থাও কৰা হয়। তাৰ বিভিন্ন ধৰণৰ মানুহৰ সমাগম হোৱা দেখা যায়। এই বিভিন্ন ঠাই সমূহ ভ্ৰমণ কৰি আমি জানিব পাৰো যে, তাৰ ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক অৱস্থা সাধাৰণ মানুহৰ অৱস্থাতকৈ বহুত পৃথক।